**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-03-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, ভাৰতে ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব বৰ্তাই ৰখাৰ বিষয়ত ফিলিপাইনচক সমৰ্থন কৰে।

২। ৰাজ্যত দৌল উৎসৱ তথা ফাকুৱা উপলক্ষে দুটা দিন বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াই গতি লাভ কৰিছে।

৩। নিৰ্বাচন আয়োগে চি-ভিজিল নামৰ এটা উদ্ভাৱনমূলক এপৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়া সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

৪। গুৱাহাটীত আজি ভাৰত আৰু আফগানিস্তানৰ মাজত ফিফা বিশ্বকাপ আৰু এছিয়া কাপ ফুটবলৰ যোগ্যতা নিৰ্ণয়কাৰী খেলখন অনুষ্ঠিত হ'ব। ***আৰু***

৫। গুজৰাট টাইটানছ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, ভাৰতে ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব বৰ্তাই ৰখাৰ বিষয়ত ফিলিপাইনচক সমৰ্থন কৰে। মনিলাত আজি ফিলিপাইনচৰ বিদেশ মন্ত্ৰী এণ্ড্ৰিক মনালোৰ সৈতে সংবাদ মাধ্যমক সম্বোধন কৰি ড০ জয়শংকৰে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰতিখন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ অধিকাৰ আছে। দক্ষিণ চীন সমুদ্ৰত চীনৰ সৈতে ফিলিপাইনচৰ সামুদ্ৰিক বিবাদৰ সময়ত কৰা এই মন্তব্য বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। ড০ জয়শংকৰে কয় যে, ভাৰতে আছিয়ান ৰাষ্ট্ৰসমূহৰ সংহতি আৰু একতাৰ সমৰ্থন কৰে। তেওঁ লগতে কয় নিয়ম আধাৰিত শৃংখলা মানি চলিলেহে অঞ্চলটোৰ প্ৰগতি আৰু সমৃদ্ধি সম্ভৱ বুলি ভাৰতে বিশ্বাস কৰে। এই ক্ষেত্ৰত সমুদ্ৰৰ সংবিধান হিচাপে ৰাষ্ট্ৰসংঘৰ আইন আৰু সামুদ্ৰিক চুক্তি অতিকে গুৰুত্বপূৰ্ণ বুলি বিদেশ মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, সকলো পক্ষই ইয়াক আখৰে আখৰে মানি চলা উচিত।

ড০ জয়শংকৰে কয় পৰিৱৰ্তিত বিশ্বত নতুন আৰ্হি বিকশাই তোলাৰ বাবে ভাৰত আৰু ফিলিপাইনচে অধিক সহযোগিতাৰে কাম কৰা উচিত। শেহতীয়াকৈ ভাৰত আৰু ফিলিপাইনচৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক চকুত লগা ধৰণে বৃদ্ধি পোৱা বুলি ড০ জয়শংকৰে কয় যে, দুয়োখন ৰাষ্ট্ৰই প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাটো স্বাভাৱিক। দুয়োখন দেশে সহযোগিতাৰ অন্য দিশসমূহো চালি-জাৰি চোৱাতো জৰুৰী বুলি বিদেশ মন্ত্ৰীগৰাকীয়এ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যত দৌল উৎসৱ তথা ফাকুৱা উপলক্ষে দুটা দিন বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াই গতি লাভ কৰিছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন আৰু পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে। কেন্দ্ৰীয়

মন্ত্ৰী আৰু বিজেপি নেতা সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় আৰু বিজেপি নেতা প্ৰদান বৰুৱাই আজি লখিমপুৰ সংসদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংগ দিয়ে।

ইয়াৰ বিপৰীতে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ৰকিবুল হুছেইন, ৰেকিবউদ্দিন আহমেদ আৰু তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে।

তদুপৰি, কাইলৈ যোৰহাটত তপন কুমাৰ গগৈ, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছা আৰু তেজপুৰত ৰঞ্জিত দত্তই সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰিব।

কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ ভিতৰত লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকা আৰু ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাথী লুৰিনজ্যোতি গগৈ আছে।

০০০০০০

নিৰ্বাচন আয়োগে চি-ভিজিল নামৰ এটা উদ্ভাৱনমূলক এপৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়া সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এই এপ্লিকেশ্বনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফুতভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপটীয়াকৈ ফটো বা ভিডিঅ'হে পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাদ বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে। যিকোনো এনড্ৰইদ মোবা্ইল বা স্মাৰ্ট ফোনত এই এপটো ডাউনলোড কৰি জনসাধাৰণে সহজে ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে লগতে যিকোনো ধৰণৰ ৰাজনৈতিক অসাধু আচৰণ, ভোটাৰক প্ৰলোভিত কৰিবলৈ সামগ্ৰী প্ৰদান বা বিভিন্ন ধৰণে প্ৰৰোচিত কৰাৰ প্ৰমাণ এই এপযোগে প্ৰেৰণ কৰিব পাৰে। এই এপটোৱে জিলা নিয়ন্ত্ৰণ কক্ষ, নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচন পৰিচালনাৰ বাবে বহিঃক্ষেত্ৰত নিয়োজিত বিভিন্ন গোট যেনে- ফ্লাইং স্কোৱাদ, নিৰীক্ষণ দল আদিক তথ্য প্ৰেৰণ কৰে। জনসাধাৰণে ইয়াৰ বাবে এনে আইন উলংঘাকাৰী ঘটনাৰ ফটো বা ২ মিনিটৰ ভিডিঅ' এপযোগে আপলোড কৰি এনে অবাঞ্চিত ঘটনা ৰোধ কৰিব পাৰে। এই ক্ষেত্ৰত তথ্য প্ৰেৰণ কৰোতাগৰাকীৰ নাম পৰিচয় আদি গোপনে ৰখা হ'ব বুলিও আয়োগে প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০

এছিয়া প্ৰশান্ত অৰ্থনৈতিক সহযোগিতা জলবায়ু কেন্দ্ৰই জুলাইৰ পৰা চেপ্তেম্বৰলৈ বাৰিষা কালত ভাৰতবৰ্ষত গড় বৰষুণতকৈ অধিক বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। জলবায়ু কেন্দ্ৰটোৱে ভাৰতৰ বাৰিষা কাল সন্দৰ্ভত প্ৰথম পূৰ্বানুমান জাৰি কৰিছে। এই পূৰ্বানুমানত এপ্ৰিলৰ পৰা জুনলৈ আৰু জুলাইৰ পৰা চেপ্তেম্বৰলৈ সুকীয়া সুকীয়া মূল্যায়ন কৰা হৈছে। এছিয়া প্ৰশান্ত অৰ্থনৈতিক সহযোগিতা জলবায়ু কেন্দ্ৰৰ তৰফৰ পৰা জাৰি কৰা শেহতীয়া সতৰ্কীকৰণত এল নিনোৰ পৰা লা নিনা অৱস্থালৈ পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰা হৈছিল। ইয়াৰ বাবে বাৰিষা কালত অধিক বৰষুণ হ'ব বুলি কোৱা হৈছে।

ইয়াৰ পূৰ্বে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই কৈছিল যে, এল নিনো পৰিঘটনাৰ বাবে এই বছৰ গৰমৰ প্ৰকোপ বৃদ্ধি পাব পাৰে। অৱশ্যে গ্ৰীষ্ম কালৰ পাছত এল নিনোৰ প্ৰভাৱ নাইকিয়া হোৱাৰ সম্ভাৱনা আছে। একেদৰে, এল নিনোৰ প্ৰভাৱত ভাৰতৰ বাৰিষা কালত ভাল বৰষুণ হ'ব পাৰে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত প্ৰবল মুষলধাৰ বৰষুণৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, পশ্চিম বংগৰ হিমালয়ৰ দাঁতি কাষৰীয় অঞ্চল আৰু পশ্চিম বংগৰ গংগা নৈৰ পাৰৰ ঠাইসমূহত আজি পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে কংগ্ৰেছৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনাটে আৰু দলৰ নেতা এইচ এছ আহিৰে অভিনেত্ৰী কংগনা ৰানাৱতৰ বিৰুদ্ধে কৰা অপমানজনক মন্তব্যৰ বাবে নিৰ্বাচন আয়োগক কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে । এটা ছ'চিয়েল মিডিয়া পোষ্টত আয়োগে জানিবলৈ দিয়া মতে, আয়োগৰ মুৰব্বী ৰেখা শৰ্মাই এই সন্দৰ্ভত নিৰ্বাচন আয়ুক্তলৈ এখন পত্ৰ লিখিছে। ইয়াত কোৱা হৈছে যে, ছ'চিয়েল মিডিয়াত কংগনা ৰানাউটৰ বিষয়ে অশ্লীল আৰু অপমানজনক মন্তব্য কৰা দুয়োগৰাকী নেত্ৰীগৰাকীৰ লজ্জাজনক আচৰণত ৰাষ্ট্ৰীয় মহিলা আয়োগ স্তম্ভিত হৈ পৰিছে। শ্ৰীমতী শৰ্মাই কয়, এনে আচৰণ অসহনীয় আৰু মহিলাৰ মৰ্যাদাৰ বিৰুদ্ধে থিয় দিছে। বিজেপি প্ৰাৰ্থী, অভিনেত্ৰী কংগনা ৰানাৱটে হিমাচল প্ৰদেশৰ মাণ্ডী লোকসভাৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ইফালে বিতৰ্কৰ পিছত কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনাটেই স্পষ্টীকৰণ প্ৰদান কৰি কয় যে তেওঁৰ ফেচবুক আৰু ইনষ্টাগ্ৰাম একাউণ্টত বহু লোকে ব্যৱহাৰ কৰিব পাৰে। শ্ৰীমতী নাটেই সেই পোষ্টটো ডিলিট কৰা বুলি জনাইছে।

০০০০০০

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত আজি ভাৰত আৰু আফগানিস্তানৰ মাজত ২০২৬ত হ'বলগীয়া ফিফা বিশ্বকাপ আৰু ২০২৭ত হ'বলগীয়া এছিয়া কাপ ফুটবলৰ যোগ্যতা নিৰ্ণয়কাৰী খেলখন অনুষ্ঠিত হ'ব। নিশা ৭ বজাত হ'বলগীয়া এই খেলখনৰ সকলো প্ৰস্তুতি অসম ফুটবল সন্থাই সম্পূৰ্ণ কৰি তুলিছে। ইফালে এই খেলখনতে ভাৰতীয় দলৰ অধিনায়ক সুনীল চেত্ৰীয়ে আন্তৰ্জাতিক কেৰিয়াৰৰ ১৫০ সংখ্যক খেলখনত অংশ ল'ব।

০০০০০০

গুজৰাট টাইটানছ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে কালি একেখন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক চাৰি উইকেটত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৭৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু ২টা বলত ৬টা উইকেট হেৰুৱাই ১৭৮ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ বিৰাট কোহলীয়ে সৰ্বাধিক ৪৯টা বলত ৭৭ ৰান কৰাৰ বিপৰীতে দীনেশ কাৰ্তিকে ২৮ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথমে

বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰান কৰে। পাঞ্জাবৰ হৈ অধিনায়ক শিখৰ ধাৱানে সৰ্বাধিক ৪৫ ৰান কৰে। বিৰাট কোহলীক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মিয়ামী মাষ্টাৰ্চ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৰোহন আৰু এব্‌ডেনৰ যুটিটো যোৱা নিশা আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাৰ মিয়ামী গাৰ্ডেনছত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত মোনেকোৰ হিউগো নায়ছ আৰু পোলেণ্ডৰ জেন জেলেনস্কীক ৭-৫, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত কৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ যুটিটো কাইলৈ পুৱা হলেণ্ডৰ ছেম ৰৰ্বিক আৰু অষ্ট্ৰেলিয়াৰ জ'ন পেট্ৰিক স্মিথৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ঃসমাপ্তঃ